ULB

# Assamese Unlocked Literal Bible

## তীতৰ প্ৰতি পত্ৰ

### সংস্কৰণ 4

[as]

No warranties are given. The license may not give you all of the permissions necessary for your intended use. For example, other rights such as publicity, privacy, or moral rights may limit how you use the material.

# সুচিপত্র


**তীত** **5**
Chapter 1 5
১ অধ্যায় 2 5
২ অধ্যায় 3 6
**অবদানকারী** **7**
Assamese Unlocked Literal Bible অবদানকারী 7
Tischendorf Greek New Testament 8th edition অবদানকারী 7

# তীত

## Chapter 1

### মঙ্গলাচৰণ; মণ্ডলী শাসন সম্বন্ধীয় কথা

**1**মই পৌল ঈশ্বৰৰ দাস আৰু যীচু খ্ৰীষ্টৰ নিযুক্ত পাঁচনি, ঈশ্বৰৰ মনোনীত লোকৰ বিশ্বাস সুদৃঢ় কৰিবলৈ আৰু ঐশ্বৰিক আচৰণৰ সত্যৰ জ্ঞান প্ৰতিষ্ঠা কৰিবলৈ মই সহায় কৰোঁ। **2**সেই অনন্ত জীৱনৰ[1] আশাত আমাৰ এই বিশ্বাস আৰু জ্ঞান লাভ হয়। অনাদি কালৰ পুৰ্ব্বেই মিছা নোকোৱা ঈশ্বৰে এই জীৱন দিয়াৰ প্ৰতিজ্ঞা কৰিছিল। **3**ঈশ্বৰে তেওঁৰ বাক্য ঠিক ঠিক সময়ত প্ৰচাৰ কৰাৰ দ্বাৰাই প্ৰকাশ কৰিলে। ঈশ্বৰে সেই কাৰ্যৰ ভাৰ মোৰ হাতত তুলি দিলে। আমাৰ ত্ৰাণকৰ্তা ঈশ্বৰৰ আজ্ঞা অনুসাৰে মই সেই বাক্য প্ৰচাৰ কৰোঁ।

**4**সাধৰণ বিশ্বাসৰ দৰে যথাৰ্থ পুত্ৰ তীতৰ সমীপলৈ। পিতৃ ঈশ্বৰ আৰু আমাৰ ত্ৰাণকৰ্তা খ্ৰীষ্ট যীচুৰ পৰা অনুগ্ৰহ, দয়া আৰু শান্তি তোমালৈ হওঁক।

**5**অসম্পূৰ্ণ কাৰ্যবোৰ সম্পূৰ্ণ কৰিবলৈ আৰু মোৰ আদেশ অনুসাৰে নগৰে নগৰে পৰিচাৰকক নিযুক্ত কৰিবলৈকো, ক্ৰীতী দ্বীপত মই তোমাক থৈ আহিলো।

**6**যি জন নিৰ্দোষী, এগৰাকী মহিলাৰ স্বামী, যি জনৰ সন্তান সকল বিশ্বাসী আৰু দুষ্ট বা অবাধ্য বুলি পৰিচিত নহয়, তেনে ব্যক্তি পৰিচাৰকৰূপে গণ্য হব।[2] **7**ঈশ্বৰৰ লোক সকলক পৰিচালিত কৰা লোক ঈশ্বৰৰ ঘৰগিৰীৰদৰে। সেয়ে, সেই ব্যক্তিৰ সুনাম থকাটো প্ৰয়োজন। তেওঁ অহংকাৰী, অলপতে ক্ৰোধী, মদপী, প্ৰহাৰক আৰু কুচ্ছিত, লাভ বিচৰা হব নালাগে।

**8**কিন্তু অতিথি সেৱক, সাধুক স্নেহ কৰোঁতা, বিবেচক, ন্যায় কৰোঁতা, পবিত্ৰ আৰু আত্মসংযমী হ'ব লাগে। **9**আৰু নিৰাময় শিক্ষাত আশ্বাস দিবলৈ আৰু আপত্তি দৰ্শোৱা সকলক অনুযোগ কৰিবলৈ সমৰ্থ হ'বৰ কাৰণে, উপদেশৰ অনুৰূপ বিশ্বাসযোগ্য বাক্যত আসক্ত হব লাগে।

**10**কিয়নো বিশেষকৈ চুন্নৎ হোৱা লোক সকলৰ মাজত অনৰ্থক বাক্য কওঁতা, শৃংখলাহীন, ভাগুনা কৰোঁতা আৰু অনেক অবাধ্য লোক আছে।
**11**তেওঁলোকৰ মুখ বন্ধ কৰা আৱশ্যক; তেওঁলোক এনেকুৱা মানুহ যে, কুচ্ছিত লাভৰ কাৰণে তেওঁলোকে অনুচিত শিক্ষা দি কোনো কোনো পৰিয়ালৰ সকলোকে বিনষ্ট কৰে।

**12**তেওঁলোকৰ এজন স্বদেশীয় ভাববাদীয়ে কৈছে, যে "ক্ৰীতীৰ মানুহবোৰ মিছলীয়া, বেয়া, হিংসুক জন্তু আৰু এলেহুৱা ভাতভাৰী।" **13**এই সাক্ষ্য সঁচা। তেওঁলোক যেন বিশ্বাসত নিৰাময় হয়, এই কাৰণে তুমি তেওঁলোকক কঠোৰ অনুযোগ কৰিবা।

**14**ইহুদী সকলৰ আখ্যানবোৰত আৰু সত্যৰ পৰা বিমুখ হোৱা মানুহবোৰৰ আদেশলৈ মন দি সময়ৰ অপব্যৱহাৰ নকৰিবা।

**15**শুচি সকলৰ বাবে সকলোৱেই শুচি; কিন্তু কলুষিত আৰু বিশ্বাস নকৰা সকলৰ বাবে একোৱেই শুচি নহয়। বৰং তেওঁলোকৰ মন আৰু বিবেক, এই উভয়ে কলুষিত। **16**ঈশ্বৰক জানো বুলি তেওঁলোকে মুখেৰে স্বীকাৰ কৰে, কিন্তু কাৰ্যত তাক অস্বীকাৰ কৰে।[3] তেওঁলোক ঘিণলগীয়া, আজ্ঞা নমনা আৰু সকলো সৎকৰ্মৰ বাবে অনুপযোগী।

---

1:2 [1]
1:6 [2]
1:16 [3]

## ১ অধ্যায় 2

### মণ্ডলীভুক্ত নানা লোকক দিব লগীয়া শিক্ষাৰ বৃত্তান্ত

**1**কিন্তু তুমি নিৰাময় শিক্ষাৰ সৈতে উপযুক্ত কথা ক'বা। **2**পৰিচাৰক সকল যেন পৰিমিত ভোগী, ধীৰ, বিবেচক, বিশ্বাসত গভীৰ, প্ৰেমত আৰু ধৈৰ্য্যত নিৰাময় হয়।

**3**সেইদৰে পৰিচাৰীকা সকলেয়ো যেন পবিত্ৰ লোক সকলৰ দৰে আচাৰ-ব্যৱহাৰ দেখুৱায় আৰু অপবাদিকা বা বহু দ্ৰাক্ষাৰসৰ আসক্ত নহয়।
তেওঁলোকে যি উত্তম, সেই শিক্ষা তেওঁলোকে দিয়ক। **4**ইয়াৰ দ্বাৰা তেওঁলোকে যেন যুৱতী সকলক তেওঁলোকৰ চিন্তাধাৰাত সুস্হিৰ হবলৈ, পতি-

প্ৰিয়া আৰু সন্তান-প্ৰিয়া হবলৈ উৎসাহিত কৰে, বিবেচক হবলৈ, [5]নিৰ্দোষী, ঘৰ-ধৰোতা, সু-স্বভাবী, আৰু নিজ নিজ স্বামীৰ বশীভুতা হবলৈ শিকাই বুজাই সুবুদ্ধি কৰি তোলে; তেওঁলোকে এনে শিক্ষা দিয়ক, যাতে ঈশ্বৰৰ বাক্য নিন্দিত নহয়।

[6]সেইদৰে যুৱক সকলকো সুবোধ হবলৈ উদগোৱা। [7]নিজে সকলো বিষয়তে সৎ কৰ্মৰ আৰ্হি হৈ, শিক্ষা দিওঁতে শুদ্ধতা, ধীৰতা আৰু অনিন্দনীয় নিৰাময় বাক্য প্ৰকাশ কৰিবা; [8]তেতিয়া বিৰোধী মানুহে আমাৰ বিষয়ে কোনো কু-কথা কবলৈ নোপোৱাত, লাজ পাব।

[9]দাস সকলে সকলো বিষয়ত তেওঁলোকৰ প্ৰভু সকলৰ আজ্ঞাধীন হব লাগে। তেওঁলোকৰ প্ৰতি সন্তোষ-দায়ক হব লাগে, কিন্তু উত্তৰা-উত্তৰি নকৰি [10]আৰু হাত লৰ নহৈ, বৰং সকলোতে উত্তম বিশ্বস্ততা দেখুৱাবৰ বাবে তেওঁলোকক উদগোৱা, তাতে আমাৰ ত্ৰাণকৰ্ত্তা ঈশ্বৰৰ শিক্ষাই সকলো বিষয়তে তেওঁলোকক ভূষিত কৰক।[1]

[11]কিয়নো সকলো মানুহলৈ পৰিত্ৰাণ অনা ঈশ্বৰৰ অনুগ্ৰহ প্ৰকাশিত হ'ল; [12]আৰু আমি ভক্তি লঙ্ঘন আৰু সাংসাৰিক অভিলাষ অস্বীকাৰ কৰি, গম্ভীৰ, ধাৰ্মিক আৰু ভক্তিভাবে এই বৰ্তমান সংসাৰত যেন জীবন যাপন কৰোঁ, সেই অনুগ্ৰহে এনে শিক্ষা আমাক দিছে। [13]এতিয়া আমি পৰম ধন্য আশা সিদ্ধিৰ অৰ্থে মহান ঈশ্বৰ আৰু আমাৰ ত্ৰাণকৰ্ত্তা যীচু খ্ৰীষ্টৰ প্ৰতাপৰ আবিৰ্ভাৱৰ বাবে যেন অপেক্ষা কৰি থাকো।

[14]আমাক সকলো অধৰ্মৰ পৰা মুক্ত আৰু শুচি কৰিবলৈ যীচুৱে নিজকে উৎসৰ্গ কৰিলে, যাতে আমি মূল্যৱান ব্যক্তি সকলৰদৰে সকলো সৎকৰ্মত উদ্যোগী হওঁ। [15]তুমি এইবোৰ কথা কৈ সম্পূৰ্ণ ক্ষমতাৰে উদগোৱা আৰু অনুযোগ কৰিবা; তোমাক হেয়জ্ঞান কৰিবলৈ কাকো নিদিবা।

---

2:10 [1]

## ২ অধ্যায় 3

[1]তুমি তেখেত সকলক সোঁৱৰাবা; তেখেত সকলে যেন আধিপত্য আৰু ক্ষমতা পোৱা লোক সকলৰ বশীভুত হৈ তেওঁলোকৰ আজ্ঞা পালন কৰে, সকলো সৎকৰ্ম্মত যুগুত হয় থাকে, আৰু [2]কোনো ব্যক্তিক নিন্দা নকৰি, নিৰ্ব্বিৰোধী আৰু ক্ষান্ত স্বভাবী হৈ সকলো মানুহৰ প্ৰতি মৃদুভাব প্ৰকাশ কৰক।

[3]কিয়নো পূৰ্বে আমিও নিৰ্ব্বোধ, আজ্ঞা নমনা, ভ্ৰান্ত, নানা বিধ অভিলাষ আৰু সুখভোগৰ দাস্য-কৰ্ম্ম কৰা, হিংসা আৰু ঈৰ্ষাত কাল নিওৱা, ঘৃণনীয় আৰু পৰস্পৰে ঘৃণাকাৰী আছিলো।

[4]কিন্তু যেতিয়া আমাৰ ত্ৰাণকৰ্ত্তা ঈশ্বৰৰ মধুৰ স্বভাব আৰু মনুষ্য জাতিলৈ প্ৰেম প্ৰকাশিত হল, [5]তেতিয়া আমি কৰা ধৰ্ম্ম-কৰ্ম্মৰ কাৰণে নহয়, কিন্তু তেওঁ নিজ দয়া অনুসাৰে নতুন জন্মৰ[1] স্নান আৰু পবিত্ৰ আত্মাই নতুন কৰাৰ দ্বাৰাই আমাৰ পৰিত্ৰাণ কৰিলে।

[6]তাৰ কাৰণে সেই আত্মা আমাৰ ত্ৰাণকৰ্ত্তা যীচু খ্ৰীষ্টৰ দ্বাৰাই ঈশ্বৰে আমাৰ ওপৰত বাহুল্যৰূপে বাকি দিলে, [7]যাতে তেওঁৰ অনুগ্ৰহত আমি ধাৰ্মিক বুলি গনিত হৈ অনন্ত জীৱনৰ আশা অনুসাৰে উত্তৰাধিকাৰী[2] হব পাৰো।

[8]এই কথা বিশ্বাসযোগ্য। ঈশ্বৰত বিশ্বাস কৰা সকলে যাতে তেওঁলোকৰ সন্মুখত থকা সৎকৰ্মত লাগি থাকিবলৈ চিন্তা কৰে, তাৰ কাৰণে তোমাক এই আজ্ঞা মই দিছোঁ। এইবোৰ কথা সকলো লোকৰ পক্ষে উত্তম আৰু লাভজনক।

[9]কিন্তু মূঢ় বাদ-বিচাৰ, বংশাৱলী বিবাদ আৰু বিধানৰ বিষয়ে বাগযুদ্ধ, এই সকলোৰে পৰা তুমি পৃথকে থাকিবা; কিয়নো সেইবোৰ অনুপকাৰী আৰু অনৰ্থক। [10]দলভেদী মানুহক দুই এবাৰ চেতনা দিয়াৰ পাছত তেনেলোকক অগ্ৰাহ্য কৰিবা; [11]তেনেধৰণৰ মানুহ যে বিপথগামী আৰু নিজ প্ৰমাণত দোষী হৈ পাপ কৰে, সেই বিষয়ে তুমি জানা।

### শেষ-আদেশ আৰু মঙ্গলবাদ

[12]মই তোমাৰ তালৈ আৰ্ত্তিমা বা তুখিকক পঠালো, নীকপলিত মোৰ ওচৰলৈ বেগাই আহিব বাবে তুমি যত্ন কৰিবা; কিয়নো মই সেই ঠাইতে জাৰ-কালি কটাবলৈ স্থিৰ কৰিলোঁ। [13]পণ্ডিত চিনাক আৰু আপল্লকো অতি যত্নেৰে পঠাবা, যাতে তেওঁলোকৰ একোৰে অভাৱ নহয়।

[14]আমাৰ মানুহবোৰ যেন নিষ্ফল নহয়, তাৰ কাৰণে প্ৰয়োজনীয় অভাৱ দূৰ কৰিবলৈ সৎকৰ্মত লাগি থাকিবৰ বাবে শিকক।

[15]মোৰ লগত থকা সকলোৱে তোমাক মঙ্গলবাদ কৰিছে। বিশ্বাসত থাকি আমাক প্ৰীতি কৰা সকলক মঙ্গলবাদ দিবা। তোমালোক সকলোৰে লগত অনুগ্ৰহ থাকক। আমেন।

---

3:5 [1]
3:7 [2]

# অবদানকাৰী

## Assamese Unlocked Literal Bible অবদানকাৰী

Ajit Kumar Singha
Antoney Raj
Basanta Kumar Sarma
Cdr. Thomas Mathew
Dr. Bobby Chellappan
Hinal Prakash
Jobby Prasannan
Jumi Devi
Kanika Dhar
Kavita Bora
Merlyn Easa
Numali Tara
Rev. Tarun Singha
Rinu John
Sangeet Momin
Shojo John
Door43 World Missions Community

## Tischendorf Greek New Testament 8th edition অবদানকাৰী

eBible.org
Clint Yale
Dr. Maurice A. Robinson
Ulrik Sandborg-Petersen
Door43 World Missions Community